

# কুট্টানে সুখ বিচাৰি পালে

"ৰচনাঃ চেৰিন কাচিম
অংকনঃ চোনাল পানচে "

'কথা'ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক

এই সকলো ILR গ্ৰন্থ

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক





































FOR OUR BOOKS

www.books.katha.org

'কাহিনীটোৰ দ্বাৰা ভাৰতৰ বহু সাংস্কৃতিক পৰিচয় প্ৰকাশ পাইছে'
—দ্য পায়োনিয়াৰ

শশিুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
www.katha.org
` xxx

ইণ্ডিগো চিৰিজৰ অন্তৰ্গত



দুপৰীয়া বহুসময় শোৱাৰ পিছত কুট্টানে সাৰ পালে। তাৰ সম্পৰ্কীয় ভায়েক তিনিটাই চিঞৰ-বাখৰ কৰি আছিল। আটাইকেইটা বহুত উত্তেজিত হৈ আছিল।

নিশ্চয় কিবা এটা হৈছে। অন্তত সৰু তিনিটাৰ কিবা এটাটো হৈছেই। সিহঁত একেবাৰেই সৰু। কুট্টান সিহঁতত কৈ অলপ হলেও ডাঙৰ। সি নিজে অনুভৱ কৰে।

সি ডাঙৰ **হৈছে।**



সি শৰীৰটো অলসভাৱে টান কৰিলে। সি যেন খুব ডাঙৰ হৈ গৈছে এনে এটা ভাৱত গহীন হৈ লাহে লাহে তাৰ ভায়েককেইটাৰ ওচৰলৈ গ’ল।

ঠিক এনেতে তাৰ সেউজীয়া পাতৰ ওপৰত হালধীয়া ৰঙৰ কিবা এটা চকুত পৰিল। পুৱা যেতিয়া উঠিছিল, তেতিয়াতো তাত একো নাছিল।

ভয় খোৱা মাত এটাৰে তাৰ এটা ভায়েকে তাক সেইটো কি বুলি সুধিলে। আমি কোনেও কেতিয়াও এনেধৰণৰ বস্তু আজিলৈ দেখা নাই।

কুট্টানে জ্ঞানীৰ দৰে হাঁহি এটি মাৰি গল হেকাৰি এটা মাৰি ক'লে,-মৰউৰৰৰ

মইতো জানোৱেই! কি যে প্রশ্ন কৰা!



যোৱাবছৰ সি এই বস্তুটোৱেই দেখিছিল, তাৰ মেকুৰী মাকে বস্তুটো সম্পৰ্কে তাক বুজাইছিল। কিন্তু এতিয়া সি সকলো পাহৰি গ'ল।

সি যে কি মুৰ্খ!



যোৱাবছৰ, এগৰাকী ভদ্ৰমহিলাই মাটি খান্দি, পানী দি তাৰ ওপৰত এখন জাল লগাই দিছিল। কুট্টান খুব দুষ্ট আছিল, আৰু সেই ভদ্ৰমহিলায়ো কথাটো জানিছিল।

তাৰপিছত পাতবোৰ ওলায়। আৰু মাটিৰ পৰা ৰঙা ৰঙৰ কিবা এটা ওলাই আহিছিল। কুট্টানে ভয় খাইছিল!

কিন্তু সেই ভদ্ৰমহিলা আৰু তাইৰ ল'ৰাটো খুব আনন্দিত  হৈছিল।



কুট্টানে ভাবিলে, এইটো তেতিয়া ৰঙা আছিল, আৰু এতিয়া হালধীয়া হৈ গৈছে। কিন্তু এইটো একেটা বস্তুৱেই হয়! কিয় মই এই বস্তুটোৰ নামটো মনত পেলাব পৰা নাই?

কুট্টানে ভাবিলে যে সি কিবা এটা কোৱা উচিত, "ঠিক আছে। তোমালোক তিনিজনে শুনা। ভদ্ৰমহিলা গৰাকীয়ে এই মাটিডোখৰ ভাল পায়। প্ৰত্যেক বছৰেই তেওঁ এইখিনি খান্দে। তাৰপিছত তেওঁ ইয়াত বহুত পানী ধালে। তাৰপিছত আমি যেতিয়া ইয়াক খান্দিবলৈ চেষ্টা কৰো, তেতিয়া তেওঁ আমাক দূৰলৈ পঠাই দিয়ে।'



তাৰপিছত তেওঁ মাটিত সৰু সৰু গুটি পুতি দিয়ে।
কেতিয়াবা বগা।
কেতিয়াবা ক'লা।
আৰু তাৰপিছত কি হয়?"
"কি হয়?" সৰু মেকুৰী কেইটাই কান্দিলে
‘সেউজীয়া ৰঙৰ এই সৰু মানুহবোৰ মাটি ফুটি ওলাই আহে। আৰু এইবোৰকেই পাত বুলি কোৱা হয়। যিদৰে মোক কুট্টান বুলি মতা হয়,’ সি বুজাবলৈ ধৰিলে।
"ওঁ, কিন্তু আমি সেইটো জানো," মেকুৰী পোৱালি কেইটাই ক'লে। "এই হালধীয়া বস্তুটো কি?"
‘আমাক কোৱানা পুলিইইজ!’

সি ৰৈ গ’ল। ইয়াৰ পিছত কি ক'ব সি একো নাজানে। তাৰপিছত তাৰ মগজুত এটা বুদ্ধি খেলালে।



"সুখ!" সি চিঞৰি উঠিল।
"সুখ?" পোৱালীকেইটাই বিশ্বাস কৰিব পৰা নাছিল।
"হয়। তোমালোকে বুজা নাই ন? বতাহত ঝুলি থকা সময়ত সিহঁতক কি যে সুন্দৰ লাগে। সকলো সেউজীয়া বস্তুৱেই আমাক সুখী কৰি তোলে। হয়নে?"
পাতবোৰ যেতিয়া ওলায়, সেইয়া দেখি মানুহবোৰ সুখী হয়।
মুঠতে, নেজ নথকা সকলোবোৰ সুখী মানুহ আৰু নেজ থকা সকলো সুখী মেকুৰীয়ে পাতবোৰক সুখী কৰি তোলে।

আৰু তাৰপিছত সিহঁতে আমাক এই সৰু সৰু সুখবোৰ দিয়ে।




এইটো হ'ল হালধীয়া সুখ। যোৱা বছৰ
মই এটা ৰঙা সুখ দেখিছিলো।
এইবোৰ খুব সুন্দৰ, নহয়নে?

এইবাৰ মেকুৰী কেইটাই বুজি পালে। "অহ
চোৱা!" সিহঁতে আনন্দতে কৈ উঠিল, 'মৌমাখি
আৰু পখিলাইয়ো ইহঁতক ভালপায়।"

'নিশ্চয়' কুট্টানে ক'লে,
'সকলোৱে ভাল পায়!'





'কি ভাল পায়?' কুট্টানৰ কান্ধৰ পিছৰ পৰা মিউকৈ কোনোবাই মাতিলে। এওঁ মেকুৰীৰ মাক। "সুখ", এটা ভায়েকে উত্তৰ দিলে। "কি? অ'হ তুমি ফুলৰ কথা কৈছা!" মাক মেকুৰীয়ে হাঁহি এটি মাৰিলে।

কুট্টানে ভাবিলে, সি যদি অদৃশ্য হৈ যাব পাৰিলেহেঁতেন। তাৰ এতিয়া লাজ লাগিল।ইয়াকেই ফুল বোলা হৈছিল! সি কি কৰিব এতিয়া? সি কেনেকৈ পাহৰি গ'ল বাৰু?

দুটা ভায়েকে কুট্টানক মুখ বেঁকা কৰি আঁতৰি গ'ল । কিন্তু তিনি নম্বৰটো থাকি গ’ল আৰু ক'লে ‘মন বেয়া নকৰিবা। তুমি যি কৈছা মোৰ বহুত ভাল লাগিল। মোৰ মনে কয় সুখ এটা ভাল নাম। তুমি হয়তো ঠিকেই কৈছা।’ এইবাৰ কুট্টানৰ বহুত ভাল লাগিল।

হয়তো সকলোৱেই কোনো কোনো সময়ত ঠিকেই কয়। আৰু সকলোৱে কোনো কোনো সময়ত ভুলো কৰে। সেয়ে, যিমান দূৰ জানিলো ফুল হ'ল সুখ



আৰু এনেদৰেই সি তাৰ সৰু ভায়েকহঁতৰ লগত সুখী ফুলবোৰক লৈ আনন্দত জপিয়াবলৈ লাগিল। এতিয়া সি বহুত সুখী। ইমান সুখী যে নিজকে তাৰ এটা সৰু মেকুৰী পোৱালী যেন লাগিল।



চেৰিন কাচিমে এখন সুন্দৰ ঠাইৰ পৰা অন্য এখন ঠাইলৈ ভ্ৰমণ কৰি ফুৰে। এতিয়া তেওঁ লণ্ডনৰ 'স্কুল অফ অৰিয়েন্টেল এণ্ড আফ্ৰিকান ষ্টাডিজ'ত দক্ষিণ এছিয়াৰ বিষয়ক মূল হিচাপে লৈ স্নাতকোত্তৰ পঢ়ি আছে। পৃথিৱীক ৰক্ষাৰ বাবে দেখা সপোন তেওঁৰ সৃষ্টিত প্ৰতিফলিত হয়।

সোনাল পানচে মহাৰাষ্ট্ৰৰ নাচিকত থাকে। তেওঁ এজন পেশাদাৰী শিল্পী আৰু লেখিকা। তেওঁ বিভিন্ন ধৰণৰ মাধ্যমত বাস্তৱসম্মত, কল্পনাপ্ৰসূত আৰু বিমূৰ্ত শিল্পকৰ্ম ৰচনা কৰে। তেওঁৰ বিভিন্ন কৰ্ম ভাৰত, অষ্ট্ৰেলিয়া আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ প্ৰকাশন গোষ্ঠীসমূহত স্থান পাইছে। লণ্ডন আৰু মুম্বাইত তেওঁৰ চিত্ৰকৰ্মৰ প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। সম্প্ৰতি তেওঁ এখন উপন্যাস লেখাৰ কামত ব্যস্ত আছে।

# KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিবৰ্তন আনিব পাৰে। **— পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা, 2007, 2021
পাঠ্যস্বত্ব © চেৰিন কাচিম
অংকন স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।
১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।

